# অসম বিধান সভা
## লিখিত উত্তৰৰ বাবে প্ৰশ্নসমূহৰ তালিকা
## শুক্ৰবাৰ, ১০ মাৰ্চ, ২০১৭

গড়কাপ্তানি (পথ, গৃহ, ৰাষ্ট্ৰীয় ঘাইপথসমূহ), মীন, আবকাৰী, জলসিঞ্চন, হস্ততাঁত, বস্ত্ৰ আৰু ৰেচম (খাদী আৰু গ্ৰাম্য উদ্যোগ বাদ দি)।

---

### প্ৰশ্নসমূহৰ মুঠ সংখ্যা - ১১

*বিষয় ঃ* **হস্ততাঁত, বস্ত্ৰ আৰু ৰেচম বিভাগ**

শ্ৰীঅশোক কুমাৰ সিংহী ঃ

৭৪৭। মাননীয় হস্ততাঁত, বস্ত্ৰ আৰু ৰেচম বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) হস্ততাঁত, বস্ত্ৰ আৰু ৰেচম বিভাগে যোৱা ২০১১ চনৰ পৰা ২০১৬ চনলৈ ধুবুৰী জিলাত কি কি আঁচনি ৰূপায়ণ কৰিলে? আঁচনিবোৰৰ নাম, আবণ্টিত ধনৰ পৰিমাণ আৰু খৰচ কৰা ধনৰ বিৱৰণ বৰ্ষ অনুপাতে দাখিল কৰিবনে?

(খ) ধুবুৰী জিলাৰ বিলাসীপাৰা মহকুমা যোৱা ১৯৮৯ চনত স্থাপিত হয়। বিলাসীপাৰা মহকুমা স্থাপিত হোৱাৰ পৰা বৰ্তমানলৈ কোন কোন বিষয়া উক্ত বিভাগৰ বিলাসীপাৰা মহকুমাৰ কাম চোৱাচিতাৰ দায়িত্বত আছিল?

(গ) বিলাসীপাৰা মহকুমা পৰ্য্যায়ত হস্ততাঁত, বস্ত্ৰ আৰু ৰেচম বিভাগৰ মহকুমা কাৰ্য্যালয় আছেনে?

(যদি আছে, বিতং তথ্য দিব)

(ঘ) যদি নাই, তেন্তে মহকুমা কাৰ্য্যালয় স্থাপন কৰি বিষয়া-কৰ্মচাৰী সমন্বিতে কেতিয়া কাৰ্য্যক্ষম কৰি তোলা হ'ব?

(ঙ) বিভাগে এই ক্ষেত্ৰত কি ব্যৱস্থা হাতত লৈছে জনাবনে?

*Sub.:* **Fish Product**

Shri ASHOK KUMAR SINGHI :

748. Will the Minister of Fishery be pleased to state :

(a) What are the Districts and Sub-Divisions where the District office and Sub Divisional offices of the Fishery Deptts. are yet to be fully operational by providing District and Sub-Divisional officers with their full staff ?

(b) The Bilasipara Sub-Division which was created in 1989 has not started functional till date. Whether the

Deptt. has taken any initiatives to provide sub-Divisional establishment in Bilasipara ? If so, when ?

(c) Government has taken various steps for development of Fishery sectors to increase Fish production as well as to create new job opportunities. Whether the Deptt. will be able to provide smooth services to the people without the creation of Sub-Division establishment ?

(d) Who are the officers and staff looking after the Fishery Deptt. in Bilasipara Sub-Division ?

*বিষয় ঃ* **হস্ততাঁত, বস্ত্র আৰু ৰেচম বিভাগৰ আঁচনি।**

শ্ৰীসত্যব্ৰত কলিতা ঃ

৭৪৯। মাননীয় হস্ততাঁত, বস্ত্র আৰু ৰেচম বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) কমলপুৰ সমষ্টিত কিমানটা হস্ততাঁত, বস্ত্র আৰু ৰেচম বিভাগৰ আঁচনি আছে?

(খ) ইয়াৰে কিমানটা কাৰ্য্যক্ষম আৰু কিমানটা বিকল হৈ আছে?

(আঁচনিৰ বিপৰীতে স্থান উল্লেখ কৰি সবিশেষ সদনক জনাব)

(গ) বিকল হোৱাৰ কাৰণ কি আৰু বিকল আঁচনিসমূহ সচল কৰাৰ বাবে কি ব্যৱস্থা লৈছে?

(ঘ) যোৱাটো কাৰ্য্যকালত সমষ্টিটোত ৰূপায়ণ কৰা আঁচনিসমূহ কি কি?

(বৰ্ষ ভিত্তিত তালিকা বিতংভাৱে দিব)

(ঙ) আঁচনিসমূহৰ পৰা ক'ত কি আঁচনিৰ কিমান হিতাধিকাৰী উপকৃত হ'ল?

(চ) আগন্তুক ইং ২০১৭-১৮ বৰ্ষত কমলপুৰ সমষ্টিৰ বাবে নতুন আঁচনি গ্ৰহণ কৰিবনে?

*Sub.:* **Allotment of Work**

Shri AMINUL ISLAM :

750. Will the Minister of P.W.D be pleased to state :

(a) What are the criterion based on which the allotment of work orders are initiated ?

(b) Is the Govt. aware that, the most of the work is done below quality by the contractors who have been allotted work orders on the basis of lowest rate of tender bid ?

(c) If yes, will the Govt. reform the guidelines to ensure quality work ?

(d) Who are the contractors, who have been allotted work order of roads and buildings in Nagon and Morigaon districts in the last three years ?

(Please furnish the list with the name of work, financial allocation, released of fund and progress report)

*বিষয় ঃ* **ৰাস্তা আৰু দলং**

শ্ৰীআব্দুল খালেক ঃ

৭৫১। মাননীয় গড়কাপ্তানি বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ২০১৫ চনৰ পৰা জনীয়া সমষ্টিত কোন কোন দলং আৰু ৰাস্তাৰ কাম চলি আছে?

(খ) তাৰে কোনকেইটা কাম ইতিমধ্যে সম্পূৰ্ণ হৈছে?

(গ) কোন কেইটা কামৰ বিপৰীতে ঠিকাদাৰক কিমান ধন এতিয়ালৈকে মোকলাই দিয়া হৈছে?

(ঘ) নিৰ্ধাৰিত সময়ৰ ভিতৰত কোনকেইটা কাম সম্পূৰ্ণ হৈ উঠা নাই?

(ঙ) নিৰ্ধাৰিত সময়ৰ ভিতৰত কাম সম্পূৰ্ণ কৰিব নোৱাৰা ঠিকাদাৰসকলৰ বিৰুদ্ধে চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে?

(চ) কামত অৱহেলা কৰা ঠিকাদাৰৰ বিৰুদ্ধে ব্যৱস্থা ল'ব নোৱাৰা বিভাগৰ বিষয়াসকলৰ বিৰুদ্ধে চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে?

*বিষয় ঃ* **কেন্দ্ৰীয় চৰকাৰৰ Notification**

শ্ৰীকমলাক্ষ দে পুৰকায়স্থ ঃ

৭৫২। মাননীয় গড়কাপ্তানি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বৰাকৰ কৰিমগঞ্জ জিলাৰ নিম্ন উল্লেখিত পথকেইটা NH কৰা বুলি কেন্দ্ৰীয় চৰকাৰৰ পৰা Notification ওলাইছে নেকি?

(i) Lowaerpoa-Kanmun

(ii) Silchar Hailakandi-Manasora Kanaibazar RK Nagar, Assimgonj.

(খ) কৰিমগঞ্জ জিলাত PWD Building Division নোহোৱাৰ ফলত কাম-কাজত দেখা দিয়া অসুবিধাৰ বিষয়ে চৰকাৰ জ্ঞাতনে?

(গ) যদি জ্ঞাত, জিলাখনত Building Division ৰ অধীনত বিভিন্ন কাম চলি থকাৰ পিচতো Division টো উঠাই নিয়াৰ কাৰণ কি?

(ঘ) Division টো কৰিমগঞ্জ জিলাত পুনৰ স্থাপন কৰিবনে?

(ঙ) যদি কৰে, কিমানদিনৰ ভিতৰত কৰিব?

*Sub.:* **Central Road Fund**

Shri RUPJYOTI KURMI :

753. Will the Minister of P.W.D Roads be pleased to state :

(a) How much has the Govt. of India funded for the Assam State under Central roads fund ?

(Furnish detailed data, LAC-wise)

(b) Is there any other Govt. of India assistance for the roads schemes of the state of Assam ?

(If so, furnish detailed data)

(c) If yes, will the Mariani LAC receive any of the Govt. of India sponsorship schemes ?

(d) If yes, by when will the Govt. allot fund for the Mariani LAC, Rural Roads under concrete construction ?

*Sub.:* **Public Works**

Shri ASHOK KUMAR SINGHI :

754. Will the Minister of Public Works be pleased to state :

(a) Is there any extra wings of PWD other than the Roads Division, N.H. Division, Building Division and NEC Division ?

(b) What is the sanctioned strength of Engineer, Officers and Gr.-III, Gr.-IV staff under the department ?

Whether the department will submit the information on the strength of sanctioned posts in the Head Office, Circle Offices, Division Offices and Subdivision Offices of PWD ?

(c)Whether there are any vacancies against the sanctioned posts of Gr.-III and Gr.-IV in PWD in entire Assam ? If so, how many ?

(Kindly furnish the details of such vacancy in Head Office circles, Divisions and sub-division-wise)

(d) Has the department taken any initiatives for recruitment of Gr.-III & Gr.-IV staff against such vacancy, if available? If so, what will be the recruitment modalities ?

(e) Are there any incumbents engaged whose services are yet to be regularised ? If so, how many and in what posts ?

*Sub.:* **Import of Fish**

Shri AMINUL ISLAM :

755. Will the Minister of Fishery be pleased to state :

(a) How much fish does the State of Assam import yearly from out side and where from ?

(Please furnish the data-for the last 3 years)

(b) Is the State exporting any kind of fish? If yes, what are the species of fish exported and in what quantity ?

(Data of last three years may be furnished)

(c) What are the Govt. policies to increase the number of local fish in Assam ?

*বিষয় ঃ* **পুখুৰী**

শ্ৰীআব্দুল খালেক ঃ

৭৫৬। মাননীয় মীন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ৰাজ্যত নতুন চৰকাৰ গঠিত হোৱাৰ পিচত কিমানটা নতুন পুখুৰী খন্দা হৈছে আৰু কিমানটা পুৰণি পুখুৰী মেৰামতি কৰা হৈছে?

(জিলা ভিত্তিক পৰিসংখ্যা সদনৰ মজিয়াত দাখিল কৰিব)

(খ) জনীয়া সমষ্টিৰ নতুন আৰু পুৰণি পুখুৰীৰ আঁচনিৰ দ্বাৰা কিমানজন হিতাধিকাৰী উপকৃত হৈছে?

(হিতাধিকাৰীৰ তালিকা সদনৰ মজিয়াত দাখিল কৰিব)

*Sub.:* **New Schemes**

Shri AMINUL ISLAM :

757. Will the Minister of Irrigation be pleased to state :

(a) What are the schemes proposed to be implemented in Nagaon and Morigaon districts under the irrigation department ?

(b) What are the schemes implemented in Nagaon and Marigaon districts in the current financial year ?

(Please furnish the data in details)

Assam Government Press 125/17-LAQ-700-04-03-2017